# মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

## (নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অন্তৰ্গত অসমীয়া বিভাগৰ অধীনত পিএইচ.ডি. ডিগ্ৰী প্ৰাপ্তিৰ
বাবে প্ৰদত্ত গৱেষণা গ্ৰন্থ


**পৰিস্মিতা মিশ্ৰ**

অসমীয়া বিভাগ

বড়োলেণ্ড বিশ্ববিদ্যালয়


২০২৩ চন

# MANASTATTVIK TATTVAR ADHARAT MANIKUNTALA BHATTACHARYAR UPANYAS : EK BISHLESANATMAK ADHYAYAN

## ( NIRBASITO UPANYASAR BISHES ULLIKHANSAHA)

[A THESIS SUBMITTED TO BODOLAND UNIVERSITY FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE SUBJECT OF ASSAMESE UNDER THE FACULTY OF LANGUAGES]

**Submitted by :**


**PARISHMITA MISHRA**

**Department of Assamese**

**Bodoland University**


**2023**

Dr.Ratul Deka
Assistant Professor
Department of Assamese
Bodoland University, Kokrajhar
B.T.R , Assam, Pin-783370
Phone : 9864756694
E-mail-ratuldeka760@gmail.com

Ref No. :....................

Date : 08.04.2023

# CERTIFICATE

This is to certify that the thesis entitled **"MANASTATTVIK TATTVAR ADHARAT MANIKUNTALA BHATTACHARYAR UPANYAS : EK BISHLESANATMAK ADHYAYAN (NIRBASITO UPANYASAR BISHES ULLIKHANSAHA)"** is a bonafied record of research work done by **PARISHMITA MISHRA**, under my guidance and supervision. It contains results of the candidate's personal investigation. She has fulfilled all the necessary requirements under the Ph.D. regulation of this University for submitting the thesis for the Degree of Doctor of Philosophy.

This thesis has not previously formed the basis for the award of any Degree, Diploma, Associateship, Prize or other title.

**(Dr. Ratul Deka )**

# DECLARATION

I hereby declare that the present thesis entitled "MANASTATTVIK TATTVAR ADHARAT MANIKUNTALA BHATTACHARYAR UPANYAS : EK BISHLESANATMAK ADHYAYAN (NIRBASITO UPANYASAR BISHES ULLIKHANSAHA)" is the product of my own investigation and it has not been submitted, either in part or full, for a similar degree or any other diploma to any university.

Date : 08.04.2023

(Parishmita Mishra)

# কৃতজ্ঞতা স্বীকাৰ

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত আমাক গৱেষণা কৰিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়ক প্ৰথমে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। **মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)** গৱেষণা বিষয়টি আগবঢ়াই নিওঁতে আমাক প্ৰতিটো ক্ষণত দিহা-পৰামৰ্শ আৰু উৎসাহ প্ৰদান কৰি মাৰ্গ দৰ্শন কৰোঁৱা গৱেষণা গুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰাতুল ডেকা ছাৰলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁৰ সহায় আৰু দিহা-পৰামৰ্শৰ অবিহনে আমাৰ গৱেষণা কাৰ্য সম্পূৰ্ণ কৰিব নোৱাৰিলোহেঁতেন। আমাক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি অহা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বৰ্তমানৰ বিভাগীয় প্ৰধান ড° চুমী কলিতা বাইদেউ, বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান ড° বিভূতিলোচন শৰ্মা ছাৰ প্ৰমুখ্যে ড° ডেইজী ৰাণী ডেকা বাইদেউ আৰু দীপামণি বৈশ্য বাইদেউলৈ এই ছেগতে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

বহু ব্যস্ততাৰ মাজতো আমাৰ বাবে সময় উলিয়াই ব্যক্তিগত সাক্ষাতকাৰ লোৱাৰ সুযোগ দিয়াৰ উপৰিও আমি বিচৰাধৰণে বিভিন্ন সময়ত নিজৰ ৰচনাৰাজী সম্পৰ্কীয় তথ্য-পাতি প্ৰদান কৰা ঔপন্যাসিকা মণিকুন্তলা ভট্টাচাৰ্য বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁৰ সহায়-সহযোগিতাই আমাৰ গৱেষণা কাৰ্য আগবঢ়াই নিয়াৰ পথ প্ৰশস্ত কৰি তুলিছে। আমাৰ গৱেষণা কৰ্মৰ আৰম্ভণিৰেপৰা বিভিন্নধৰণে দিহা-পৰামৰ্শ আৰু উৎসাহ যোগাই অহা বৰনগৰ মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° ৰীতা দাস বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ শিক্ষা জীৱনৰ আদিগুৰু মা গোলাপী মিশ্ৰ আৰু দেউতা স্বৰ্গীয় পুতুল মিশ্ৰলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শৈশৱতে দেউতাই অধ্যয়ন স্পৃহা জগাই তোলাৰ বাবেই আজি আমি এই কাৰ্য সম্পন্ন কৰিবলৈ সক্ষম হৈছোঁ। দেউতাৰ কায়িক অনুপস্থিতিতো তেওঁৰ দিহা-পৰামৰ্শসমূহে আমাৰ উচ্চ শিক্ষাৰ পথত সদায়েই সাহস হৈ ৰৈছে। গৱেষণা গ্ৰন্থখন ডিটিপি কৰি দি সকাহ প্ৰদান কৰা ভন্টী বনস্মিতা মিশ্ৰলৈ মৰম আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ গৱেষণা কৰ্মত সাহস আৰু প্ৰেৰণাৰে উৎসাহ প্ৰদান কৰাৰ লগতে বিভিন্ন দিশত

সহায় কৰা নিকুঞ্জ দাস, গীতা দাস বাইদেউ, নিতুপৰ্ণ ৰাজবংশী দাদা, ভাস্কৰ নাথ, দিপালী মেধী বাইদেউ, বৰষা দাস, সীমা নাথ, নবজিতা ভট্টাচাৰ্যলৈ ধন্যবাদ জনালোঁ। গৱেষণা গ্ৰন্থখন বিন্যাসকৰণত সহায় কৰা ৰূপম গগৈলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ গৱেষণা কাৰ্যত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰা পৰিয়ালবৰ্গ আৰু প্ৰতিগৰাকী শুভাকাংক্ষীলৈ সদৌ শেষত আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**পৰিস্মিতা মিশ্ৰ**

# অৱতৰণিকা

# অৱতৰণিকা

**০.১ বিষয়ৰ পৰিচয় ঃ**

উপন্যাস হৈছে গদ্যত ৰচিত বিস্তৃত পৰিসৰৰ সাহিত্য। ইয়াত মানৱ জীৱনৰ স্বৰূপ স্পষ্টৰূপত প্ৰতিভাত হয়। জীৱনৰ বৈচিত্ৰ্যতাক প্ৰতিফলিত কৰা আটাইতকৈ সফল আৰু শক্তিশালী মাধ্যম হৈছে উপন্যাস। উপন্যাস উদ্ভৱৰ এটি অন্যতম কাৰণ হৈছে মধ্যবৃত্ত শ্ৰেণীৰ উত্থান। মধ্যবৃত্ত শ্ৰেণীৰ জীৱন অভিজ্ঞতাৰ বৈচিত্ৰ্যতা থাকে। কাৰণ মধ্যবৃত্ত শ্ৰেণীটোৱে আন্দোলন কৰে, সাহিত্য সৃষ্টি কৰে, সম্পৰ্কৰ জটিলতাত ভোগে, মানসিক দ্বন্দ্বই মধ্যবৃত্ত শ্ৰেণীক পীড়িত কৰে। গতিকে মধ্যবৃত্ত শ্ৰেণীৰ সামাজিক, মানসিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক চেতনাৰ যি বৈচিত্ৰ্য ৰূপ সেই বৈচিত্ৰ্য ৰূপক তুলি ধৰা বাবে উপন্যাস সাহিত্যৰ উত্থান হ'ল। এনেদৰেই মধ্যবৃত্ত শ্ৰেণীৰ জীৱনৰ অভিজ্ঞতা, সম্পৰ্কৰ জটিলতা, মানসিক দ্বন্দ্ব, সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক চেতনা ইত্যাদিৰ সমাহাৰ ঘটে উপন্যাসত। পৰম্পৰাগত উপন্যাসবোৰে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। ইয়াৰ বিপৰীতে যুদ্ধৰ অভিজ্ঞতা বা নগৰীয়াকৰণ ইত্যাদিবোৰে লাহে লাহে মানুহৰ মনত কিছুমান দ্বন্দ্বৰ সৃষ্টি কৰিলে। যুদ্ধই যেতিয়া অস্তিত্বৰ সংকট বা শংকাৰ চেতনা সৃষ্টি কৰিলে তেতিয়া মানুহৰ অন্তৰত একাকীত্ব, নিঃসংগতা,হতাশা আদি কিছুমান মানসিক ৰিক্ততাৰ সৃষ্টি হ'ল। ইয়াৰ পৰিপেক্ষিততে সাহিত্যতো তাৰ অনুৰণন শুনা গ'ল। সেয়ে যুদ্ধৰ পৰৱৰ্তী সময়ৰ বা যুদ্ধকালীন সাহিত্যত ব্যক্তিবাহ্যিক বিষয়তকৈ মানুহৰ মনৰ চিত্ৰণ অধিক হোৱা পৰিলক্ষিত হৈছে। বিশ্বযুদ্ধৰ পিছত তথা নগৰীয়াকৰণৰ পিছত মানুহে একধৰণৰ অস্তিত্বৰ চেতনা তথা শংকাত ভুগিবলৈ লৈছিল। মানুহৰ মাজত নগৰীয়া কোলাহলৰ মাজত থাকিও মানুহে নিঃসংগতাত ভুগিছিল। সম্পৰ্কৰ জটিলতাবোৰে যেতিয়া মানুহৰ মনত নকৈ দোলা দিলে সেই গোটেই বিষয়বোৰে প্ৰকৃততে উপন্যাসৰ সৃষ্টি কৰিলে। এইবোৰ কাৰকে সাহিত্যিকসকলকো তেওঁলোকৰ দৃষ্টিৰ পৰিধিটো সলনি কৰিবলৈ বাধ্য কৰিলে। ইয়াৰ আগলৈকে কিন্তু বাহ্যিক বিষয়বোৰ সাহিত্যিকসকলৰ বাবে গুৰুত্বপূৰ্ণ আছিল। যুদ্ধৰ পৰৱৰ্তী সময়ৰ পাশ্চাত্য সাহিত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে ভাৰ্জিনিয়া উলফ, জেম্‌ছ জইচ, ডি. এইচ. লৰেঞ্চ আদিৰ উপন্যাসত ব্যক্তিমনৰ বিভিন্ন স্তৰসমূহৰ অন্বেষণ কৰাৰ চেষ্টা কৰা হৈছে। এনেদৰে তেওঁলোকে এক নতুন শ্ৰেণীৰ উপন্যাসৰ ধাৰাৰ আৰম্ভণি কৰিছে।

সমান্তৰালভাৱে অসমীয়া উপন্যাসৰ উদ্ভৱকালীন সময়লৈকে চালে দেখা যায় যে মধ্যবৃত্ত শ্ৰেণীৰ উত্থান আৰু তাৰ ফলশ্ৰুতিত জাগ্ৰত হোৱা অসমীয়া জাতীয়তাবাদ অসমীয়া উপন্যাস সৃষ্টিৰ দুটা অন্যতম প্ৰধান কাৰণ। ইংৰাজৰ আগমনত অসমৰপৰা অসমীয়া ভাষাৰ বিতাড়ন ঘটিছিল। ইংৰাজে অফিছ-কাছাৰীত কাম কৰিবলৈ অনা কলিকতীয়া বঙালীসকলৰ প্ৰৰোচনাত পৰি ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমৰ স্কুল-কলেজৰপৰা অসমীয়া ভাষা উঠাই দিছিল। ফলশ্ৰুতিত এচাম শিক্ষিত অসমীয়াই তাৰ প্ৰতিবাদত আন্দোলন কৰিছিল। এনেদৰেই অসমীয়া মানুহৰ মাজত ক'ব নোৱাৰাকৈয়ে স্বতঃস্ফূৰ্তভাৱে ভাষিক জাতীয়তাবাদ গঢ় লৈ উঠিছিল। ইংৰাজ অহাৰ লগে লগে অসমলৈ পাশ্চাত্য শিক্ষা, বিভিন্ন ধৰণৰ মতামতৰ লগতে অফিছ-কাছাৰীত কাম কৰিবলৈ বঙালী মানুহ, চাহ খেতি কৰিবলৈ উৰিষ্যা আদিৰপৰা মানুহ আহিছিল। তাৰফলত অসমীয়া মানুহৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপট সলনি হৈছিল। ইয়াৰ ফলত সাংস্কৃতিক চেতনাৰো পৰিৱৰ্তন ঘটিছিল। অসমৰ সমাজ-সাংস্কৃতিক-ৰাজনৈতিক প্ৰেক্ষাপটৰ যি পৰিৱৰ্তন হ'ল সিয়ে অসমীয়া মানুহৰ জীৱন অভিজ্ঞতাক প্ৰভাৱিত কৰিলে। পূৰ্বে অসমীয়া মানুহৰ যি পৰম্পৰাগত বৈচিত্ৰ্যহীন জীৱন আছিল ইংৰাজ অহাৰ পিছত তাৰ পৰিৱৰ্তন ঘটি বৈচিত্ৰ্যময় জীৱন অভিজ্ঞতা অসমীয়া মানুহে লাভ কৰিলে। জাতীয়তাবাদী চেতনাৰ বাবে আৰম্ভণি চোৱাৰ যিমানবোৰ উপন্যাস আছে প্ৰায়বোৰেই ঐতিহাসিক। এইক্ষেত্ৰত পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতি*, *লাহৰী*, লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী*, ৰজনীকান্ত বৰদলৈৰ *মনোমতী*, *ৰহদৈ লিগিৰী*, *ৰংগিলী*, *নিৰ্মল ভকত*, *তাম্ৰেশ্বৰীৰ মন্দিৰ*, *দন্দুৱা দ্ৰোহ*, *ৰাধা-ৰুক্মিণীৰ ৰণ* উল্লেখযোগ্য। ইয়াৰ পৰিৱৰ্তে যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসলৈ লক্ষ্য কৰিলে ইয়াৰ প্ৰেক্ষাপট সলনি হোৱা দেখা যায়। জাতীয়তাবাদী চেতনা, সমাজ-ৰাজনৈতিক প্ৰসংগবোৰতকৈ মানুহৰ মনস্তাত্ত্বিক কথাবোৰৰ অসমীয়া উপন্যাসত প্ৰৱেশ ঘটিল।

সাহিত্যৰ নিতৌ নতুন সম্পৰীক্ষণে কেতবোৰ ধাৰণাৰ উন্মেষ ঘটাইছে। ইয়াৰ পৰিপেক্ষিতত সাহিত্য সমালোচনাৰ ক্ষেত্ৰখনত নিতে নতুন তত্ত্ব বা মতবাদৰ সূত্ৰপাত হৈ আহিছে। ফলত পূৰ্বৰ পৰম্পৰাগত ধ্যান-ধাৰণাৰ বিপৰীতে সাহিত্যক নব্য দৃষ্টিৰে ন ন সম্ভাৱনাৰে চোৱাৰ অৱকাশ গঢ়ি উঠিছে। সাহিত্য সমালোচনাৰ লগত জড়িত এটি গুৰুত্বপূৰ্ণ তত্ত্ব হৈছে মনস্তাত্ত্বিক তত্ত্ব। মনস্তাত্ত্বিক তত্ত্ব বা মনোঃসমীক্ষণ তত্ত্ব মুখ্যতঃ চিকিৎসা শাস্ত্ৰৰ লগত জড়িত বিষয়। পূৰ্বৰ দাৰ্শনিক পণ্ডিতসকলে মন সম্পৰ্কে কেতবোৰ আলোচনা আগবঢ়াইছিল যদিও আধুনিক মনস্তাত্ত্বিক ধাৰণাৰ উন্মেষণত ছিগমাণ্ড ফ্ৰয়েডৰ ভূমিকা অন্যতম। ফ্ৰয়েড এগৰাকী চিকিৎসক লগতে দাৰ্শনিক। তেওঁৰ ওচৰলৈ

চিকিৎসাৰ বাবে অহা ৰোগীসকলৰ মানসিক সমস্যাসমূহ সমাধান কৰাত তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। ৰোগীৰ লগত সহজ কথা-বতৰাৰ মাজেৰে ফ্ৰয়েডে ৰোগীৰ ৰোগৰ কাৰণ আৰু তেওঁলোকৰ মানসিক জগতৰ উমান ল'বলৈ যত্ন কৰিছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ ব্যক্তি মনস্তত্ত্বৰ লগত জড়িত কেতবোৰ প্ৰসংগ উদঘাটন কৰিছিল। এই প্ৰসংগসমূহেই মনস্তাত্ত্বিক তত্ত্ব হিচাপে চিকিৎসা শাস্ত্ৰ তথা জনসমাজত বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। সময়ৰ অগ্ৰগতিৰ লগে লগে মনস্তাত্ত্বিক তত্ত্বই চিকিৎসা শাস্ত্ৰৰ পৰিধি অতিক্ৰম কৰি সাহিত্য, কলা, দৰ্শন আদি অন্যান্য বিভাগতো প্ৰৱেশ লাভ কৰিলে। ইতিমধ্যে আলোচনা কৰা হ'ল যে বিশ্বৰ মানৱ সভ্যতা তথা সমাজত ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা কিছুমান নতুন ঘটনাই গা কৰি উঠিছিল। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উন্নতি, নগৰীকৰণ, উদ্যোগীকৰণ আদিৰ পৰিপেক্ষিতত ধৰ্ম, দৰ্শন, ৰাজনীতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে যি ন ন চিন্তন তথা মতবাদৰ উন্মেষ ঘটিছিল সেইবোৰে জীৱন আৰু জগতক পৰ্যবেক্ষণ কৰাৰ দৃষ্টিভংগীতো প্ৰভাৱ বিস্তাৰ কৰিলে। ইয়াৰ বাবেই মানুহে নতুন দৃষ্টিভংগী আৰু চিন্তনৰ জৰিয়তে জীৱন আৰু জগতক পৰ্যবেক্ষণ কৰিবলৈ আৰম্ভ কৰিলে। মানুহৰ জীৱনৰ লগত জড়িত অন্যান্য দিশবোৰৰ লগতে সাহিত্যৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। মানৱ জীৱনক উপলক্ষ্য কৰিয়েই সাহিত্য শিল্প-কলা আদিয়ে গা কৰি উঠা হেতুকে ইয়াত মানৱ জীৱন তথা সমাজত হোৱা পৰিৱৰ্তনবোৰে মূৰ দাঙি উঠাটো অস্বাভাৱিক নহয়। নতুন নতুন চিন্তন, ধাৰণা, সম্পৰীক্ষা আদিয়ে সাহিত্যত নতুনত্বৰ সূচনা কৰাৰ পৰিপেক্ষিততে সাহিত্যত মনস্তাত্ত্বিক বিশ্লেষণৰ প্ৰৱেশ ঘটে।

মানৱ জীৱন ৰূপায়ণৰ এক প্ৰশস্ত স্থল হৈছে উপন্যাস। উপন্যাস এনে এক ক্ষেত্ৰ য'ত জীৱনক বিস্তৃত ৰূপত উপস্থাপন কৰাটো সম্ভৱ। অন্যান্য ক্ষেত্ৰসমূহৰ লগতে উপন্যাস সাহিত্যতো মনস্তাত্ত্বিক ধ্যান-ধাৰণাই এক নতুন আন্দোলনৰ সূত্ৰপাত কৰিলে। ইয়াৰ পূৰ্বে উপন্যাসসমূহত বাহ্যিক ঘটনা প্ৰবাহে অগ্ৰাধিকাৰ লাভ কৰিছিল। উপন্যাস সাহিত্যত মনস্তাত্ত্বিক তত্ত্বৰ প্ৰৱেশে এক নতুন জোৱাৰ আনিলে। বাহ্যিক জগতত ঘটা ঘটনাসমূহতকৈ ব্যক্তিৰ আভ্যন্তৰীণ জগতত চলি থকা উত্থান-পতন, মানসিক দ্বন্দ্ব আৰু ইয়াৰ পৰিপেক্ষিতত মানুহৰ আচাৰ-আচৰণৰ দিশত গুৰুত্ব প্ৰদান কৰা হয়। ফ্ৰয়েড, ইয়ুং, লাঁকা, এডলাৰ আদি মনোবিজ্ঞানীৰ তত্ত্বই সাহিত্যত সচেতনভাৱে প্ৰৱেশ লাভ কৰিলে।

অসমীয়া উপন্যাস সাহিত্যত মনস্তাত্ত্বিক তত্ত্বৰ প্ৰতিফলন ঊনবিংশ শতিকাৰ যাঠিৰ দশকৰ পৰা আৰম্ভ হৈছে। পাশ্চাত্য উপন্যাসৰ প্ৰভাৱৰ দ্বাৰা পুষ্ট হৈ অসমীয়া ঔপন্যাসিকসকলেও যৌন

বাসনা আদিক বিষয় হিচাপে গ্ৰহণ কৰি উপন্যাস ৰচনা কৰিবলৈ আৰম্ভ কৰিছিল। সেয়া হ'লেও সেই সময়ছোৱাত বিৰিঞ্চি কুমাৰ বৰুৱা, চৈয়দ আব্দুল মালিক, পশুপতি ভৰদ্বাজ, নিৰোদ চৌধুৰী, পদ্ম বৰকটকী আদি ঔপন্যাসিকৰ উপন্যাসতহে মনস্তাত্ত্বিক চিন্তা-চেতনাৰ সাৰ্থক প্ৰতিফলন ঘটিছে। আধুনিকতাবাদী উপন্যাসত কাহিনী বৰ্ণনাতকৈ চৰিত্ৰৰ মনস্তাত্ত্বিক দিশৰ উপস্থাপনত অধিক গুৰুত্ব প্ৰদান কৰা হয়। অৰ্থাৎ পৰম্পৰাগত, ঐতিহাসিক উপন্যাসত কাহিনী, ঐতিহাসিক ঘটনা, সামাজিক-ৰাজনৈতিক প্ৰসংগক অগ্ৰাধিকাৰ প্ৰদান কৰাৰ বিপৰীতে আধুনিকতাবাদী উপন্যাসত চৰিত্ৰৰ অন্তৰ্মুখী চেতনাবোৰক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। সেয়েহে আধুনিকতাবাদী উপন্যাস অন্তৰ্মুখী।

আধুনিক অসমীয়া সাহিত্যত অন্য প্ৰসংগৰ সমান্তৰালভাৱে মনস্তাত্ত্বিক প্ৰসংগ অন্যতম প্ৰধান প্ৰসংগ। অসমীয়া উপন্যাসত মনস্তত্ত্বক সাৰ্থকভাৱে ৰূপায়ণ ঘটোৱা এগৰাকী ঔপন্যাসিক হ'ল মণিকুন্তলা ভট্টাচাৰ্য (১৯৬৬)। বিংশ শতিকাৰ শেষভাগত সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰা মণিকুন্তলা ভট্টাচাৰ্যই একবিংশ শতিকাৰ প্ৰথম দশকৰ পৰাহে উপন্যাস লিখিবলৈ আৰম্ভ কৰে। কবিতাৰে সাহিত্যক্ষেত্ৰত প্ৰৱেশ কৰা সাহিত্যিকগৰাকী সম্প্ৰতি ঔপন্যাসিকা হিচাপেহে পাঠক সমাজত সমাদৃত। একেলেথাৰিয়ে নিৰৱিচ্ছিন্নভাৱে সাম্প্ৰতিক সময়লৈকে উপন্যাস চৰ্চা অব্যাহত ৰখা ঔপন্যাসিকাৰ পঁচিশখন উপন্যাস ইতিমধ্যে প্ৰকাশ লাভ কৰিছে। ঔপন্যাসিকাৰ প্ৰায়কেইখন উপন্যাস পৰম্পৰাগত ধাৰাত ৰচনা কৰা হৈছে। উপন্যাস লিখনত যুগান্তকাৰী শৈলী তথা উপন্যাস নিৰ্মিতিৰ কোনো এক নিৰ্দিষ্ট চমৎকাৰী দিশ তেওঁৰ উপন্যাসত অনুপস্থিতিত। বিষয়বস্তু তথা আংগিকৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে নব্যধাৰাক গ্ৰহণ নকৰিলেও তেওঁৰ উপন্যাসসমূহৰ এক স্বকীয় বৈশিষ্ট্য বিদ্যমান। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহ মনস্তাত্ত্বিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। বিবেকৰ প্ৰবাহ আদি আধুনিকতাবাদী লক্ষণ কিছুমান তেওঁৰ উপন্যাসত বিদ্যমান। তেওঁ সমসাময়িক ঘটনা কিছুমানক উপন্যাসৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিলেও ইয়াৰ জৰিয়তে চৰিত্ৰৰ মনস্তাত্ত্বিক দিশটোতহে গুৰুত্ব প্ৰদান কৰিছে। অৰ্থাৎ বাহ্যিক ঘটনা প্ৰবাহে চৰিত্ৰৰ মানসিক জগতত কিদৰে প্ৰভাৱ পেলাইছে তাৰ ওপৰত ঔপন্যাসিকাই পোহৰ পেলাইছে। উপন্যাসৰ মনস্তাত্ত্বিক দৃষ্টিকোণৰ ফালৰপৰা বিচাৰ কৰি চালে মণিকুন্তলা ভট্টাচাৰ্যক বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী আদি ঔপন্যাসিকৰ যোগ্য উত্তৰসূৰী হিচাপে গণ্য কৰিব পৰা যায়। অন্তৰ্মুখিতা সাম্প্ৰতিক সাহিত্যৰ এটি অন্যতম প্ৰধান বিশেষত্ব। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহতো অন্তৰ্মুখিতা অন্যতম প্ৰধান দিশ হিচাপে পৰিগণিত হৈছে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই ক'ব পৰা যায় যে মণিকুন্তলা ভট্টাচাৰ্যই যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যিক প্ৰতিনিধিত্ব কৰিছে।

অসমীয়া সাহিত্যৰ বিৰৰ্তনৰ বিভিন্ন স্তৰবোৰৰ প্ৰেক্ষাপটত সাম্প্ৰতিক সময়ৰ সাহিত্যিক অৱলোকন কৰিলে দেখা যায় যে যুদ্ধোত্তৰ যুগৰ সাহিত্যত অন্তৰ্মুখীতা অন্যতম এটা প্ৰধান বিষয়। এই সময়ছোৱাত বিবেকৰ প্ৰবাহকে আদি কৰি বিভিন্ন ধৰণৰ আধুনিকতাবাদী প্ৰসংগ আহিছে। এনেদৰেই সাহিত্যিকসকলৰ বাবে বাহ্যিক বিষয়বোৰতকৈ অন্তৰ্মুখী বিষয়বোৰ অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। বাহ্যিক, সামাজিক, ৰাজনৈতিক বিষয়বোৰতকৈ ব্যক্তিৰ অন্তৰৰ বিভিন্ন স্তৰৰ অন্বেষণ সাহিত্যিকসকলৰ বাবে জৰুৰী হৈ পৰিছে। এনেকুৱা এটা সময়ত এনে এক চেতনাকে মণিকুন্তলা ভট্টাচাৰ্যই প্ৰতিনিধিত্ব কৰিছে। সেইগতিকে সমসাময়িক যুগৰ চেতনাৰ সৈতে ঔপন্যাসিকাগৰাকীক সংলগ্ন কৰি অধ্যয়ন কৰিলে এই অধ্যয়নে ঔপন্যাসিকা আৰু তেওঁৰ প্ৰেক্ষাপটক বুজাৰ এটা সাৰ্বিক দৃষ্টিকোণ সৃষ্টি কৰাত সহায় কৰিব। এই দৃষ্টিকোণৰ ফালৰপৰাই গৱেষণাৰ বাবে "মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন(নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)"— শীৰ্ষক বিষয়টো নিৰ্বাচন কৰা হৈছে।

**০.২ গৱেষণাৰ উদ্দেশ্য ঃ**

মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন(নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ) শীৰ্ষক গৱেষণা কৰ্মৰ উদ্দেশ্যসমূহ এনেধৰণৰ—

ক) সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্বই সাহিত্যৰ অধ্যয়ন বিশেষকৈ উপন্যাসৰ অধ্যয়নৰ ক্ষেত্ৰত কিছু নতুন বিষয়ৰ অৱতাৰণা কৰিছে। সাহিত্য অধ্যয়নত মনস্তাত্ত্বিক তত্ত্বই নিৰ্দেশ কৰা প্ৰমেয়সমূহৰ আধাৰত আমি মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ অধ্যয়ন কৰিব পাৰোঁ। বিশেষকৈ ফ্ৰয়েড, ইয়ুং আৰু লাঁকাৰ তাত্ত্বিক পৰিকাঠামোৰ আধাৰত আমি উপন্যাসসমূহৰ জটিল স্তৰসমূহ অন্বেষণ কৰাৰ চেষ্টা কৰিম।

খ) গৱেষণাৰ উদ্দেশ্যৰ খাতিৰত মণিকুন্তলা ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্যকৃতিৰ সামগ্ৰিক আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হ'ব।

গ) নিৰ্ধাৰিত মনস্তাত্ত্বিক তত্ত্বসমূহৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তুৰ অধ্যয়ন কৰাৰ প্ৰয়াস কৰা হ'ব। ইয়াত উপন্যাসৰ বিষয়বস্তুৰ সমাজ মনস্তাত্ত্বিক দিশ অধ্যয়ন কৰাৰ লগতে নাৰী, সমকামিতা, এইড্‌ছ ৰোগী, ডাইনী আদি প্ৰান্তীয়কৃত শ্ৰেণীৰ অৱদমিত মনস্তত্ত্বৰ অধ্যয়ন কৰা হ'ব।

ঘ) ব্যক্তি মনস্তত্ত্বৰ সমান্তৰালভাৱে মনস্তত্ত্বৰ লগত জড়িত আন এটি বিষয় হৈছে সমূহীয়া

মনস্তত্ত্ব। ইয়ুঙে বিভিন্ন পটভূমি তথা পাৰিপাৰ্শ্বিকতাৰ প্ৰসংগত মনস্তত্ত্বৰ যি সমূহীয়া ধাৰণা আগবঢ়াইছে তাৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত সমূহীয়া মনস্তত্ত্বৰ অৱলোকন কৰা হৈছে আমাৰ গৱেষণা বিষয়ৰ আন এক উদ্দেশ্য।

ঙ) উপন্যাসত পৰিদৃশ্যমান বিভিন্ন চৰিত্ৰৰ ভাৱ-ধাৰা, চৰিত্ৰই প্ৰদৰ্শন কৰা কাৰ্য প্ৰণালী তথা আচাৰ-আচৰণ তথা এইবোৰৰ অন্তৰালত নিহিত কাৰণৰ মনস্তাত্ত্বিক তাৎপৰ্য বিচাৰ।

চ) মণিকুন্তলা ভট্টাচাৰ্যৰ প্ৰায়বোৰ উপন্যাসেই নাৰীকেন্দ্ৰীক। নাৰীপ্ৰধান উপন্যাস হোৱা বাবে ইয়াত নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশ উদ্ভাসিত হৈছে। উপন্যাসত প্ৰতিফলিত নাৰী চেতনাৰ বিচাৰ গৱেষণা কৰ্মৰ উদ্দেশ্য।

ছ) মানুহৰ আভ্যন্তৰীণ জগতক প্ৰাধান্য দি ৰচনা কৰা সাহিত্যত আংগিক আৰু কলা-কৌশলেও মনস্তাত্ত্বিক গুৰুত্ব বহন কৰে। সেয়েহে ঔপন্যাসিকাৰ উপন্যাসৰ আংগিক আৰু কলা-কৌশলৰ মনস্তাত্ত্বিক তাৎপৰ্য বিচাৰ আমাৰ গৱেষণা কৰ্মৰ অন্য এক উদ্দেশ্য।

জ) সাহিত্যৰ অন্যান্য প্ৰসংগসমূহৰ লগতে লেখক আৰু পাঠকৰ প্ৰসংগ অন্যতম। সাহিত্যিক পাঠ এটা নিৰ্মাণত লেখকৰ ভূমিকা অনস্বীকাৰ্য। ঠিক একেদৰে পাঠৰ পৰিশ্ৰাৱন প্ৰক্ৰিয়াত পাঠক এক অন্যতম প্ৰধান প্ৰসংগ হৈ উঠে। লেখক আৰু পাঠকৰ মনস্তত্ত্বৰ দৃষ্টিকোণেৰে মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ অধ্যয়ন কৰাটো আমাৰ গৱেষণা গ্ৰন্থৰ আন এক উদ্দেশ্য।

**০.৩ গৱেষণাৰ গুৰুত্ব ঃ**

সাহিত্য হৈছে জনমানসৰ দাপোণ। সাহিত্যই জনমানসৰ চৈতন্যক তুলি ধৰে। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত অসমীয়া সাহিত্যত সততে আওকাণ কৰা সমকামিতা, যৌন জীৱন, বিবাহ বহিৰ্ভূত সম্পৰ্ক, যৌন কৰ্মী, এইড্‌ছ, ডাইনী, শিশু নিৰ্যাতন, নাৰী অৱদমন আদি প্ৰসংগ উত্থাপন কৰা হৈছে। আধুনিক সময়ৰ বিৱৰ্তন বা চিন্তাধাৰাৰ বিৱৰ্তনৰ লগে লগে এই প্ৰসংগসমূহ জনমানসতো স্থান পাইছে। এইধৰণৰ বিষয়সমূহৰ সৰহ আলোচনাৰ গুৰুত্বতাক নুই কৰিব নোৱাৰি। এনেবোৰ বিষয়ৰ আলোচনা সমাজৰ বাবেও প্ৰয়োজনীয়। কাৰণ আলোচনাইহে এইধৰণৰ বিষয়সমূহক ভৱিষ্যতে সমস্যা কৰি নাৰাখিব। এইবোৰ বিষয় আওকাণ কৰি গ'লে বা দমাই ৰাখিলে চিৰদিনলৈ সমস্যা হৈয়েই ৰৈ যাব। সমাজে প্ৰান্তীয়কৰণ কৰা, অৱমাননা কৰা, ৰূঢ়িবদ্ধ কৰা কথাবোৰ পুৰুষতান্ত্ৰিক সমাজত সততে আলোচনা নহয়। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ অভিজ্ঞতা তথা প্ৰান্তীয়কৃত শ্ৰেণীৰ

কণ্ঠ আমি মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত শুনিবলৈ পাইছোঁ। সেয়েহে উপন্যাসসমূহৰ আলোচনাৰ সামাজিক গুৰুত্ব এটা নিশ্চিতৰূপত থাকিব। কিয়নো প্ৰান্তীয়কৃত শ্ৰেণীৰ কণ্ঠবোৰৰ কথা , প্ৰান্তীয়কৃত শ্ৰেণীৰ সমস্যাৰ কথা আৰু প্ৰান্তীয়কৰণৰ সামগ্ৰিক প্ৰক্ৰিয়াটোৰ আলোচনা কৰি তাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় সন্ধানৰ ক্ষেত্ৰত এইধৰণৰ আলাপ-আলোচনাবোৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই বিষয়বোৰৰ সৰহ আলোচনাই ঔপন্যাসিকাৰ উপন্যাসসমূহৰ বিদ্যায়তনিক আলোচনাৰ এটি বাট কাটিব। এনেদৰেই আমি গৱেষণা কৰ্মৰ বাবে গ্ৰহণ কৰা বিষয়টোৱে সামাজিক বিদ্যায়তনিক গুৰুত্ব বহন কৰে।

মনস্তাত্ত্বিক অধ্যয়নে সাহিত্য আৰু মনস্তত্ত্বৰ সম্পৰ্কৰ কথা অৱলোকন কৰাৰ সমান্তৰালভাৱে সাহিত্যৰ গুৰুত্ব বৃদ্ধি কৰিব। সাহিত্যৰ পঠন আৰু সাহিত্যৰ পৰিশ্ৰাৱনৰ সামগ্ৰিক প্ৰক্ৰিয়াটোত ই খুবেই জৰুৰী। প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত চিন্তাধাৰাও যে উপন্যাসত আছে সেইবোৰৰ আলোচনাই উপন্যাসৰ যি তাৎপৰ্য বা গুৰুত্ব সেয়া সামাজিক জীৱনত প্ৰতিপন্ন কৰিব। গোলকীকৰণৰ সময়ত সাহিত্যৰ অধ্যয়নৰ প্ৰতি অহা কিছুমান প্ৰত্যাহ্বান লক্ষ্য কৰা যায়। এই প্ৰেক্ষাপটত এনেধৰণৰ বিদ্যায়তনিক আলোচনাই সাহিত্য যে প্ৰণালীবদ্ধ বিজ্ঞানসন্মত বা প্ৰায়োগিক জীৱনৰ বাবে প্ৰয়োজনীয় বিষয় সেয়া নতুনকৈ অনুধাৱন কৰাত হয়তো অৰিহণা যোগাব। এইবোৰে সাহিত্য অধ্যয়ন, সাহিত্যৰ পৰিশ্ৰাৱন, সাহিত্যৰ উৎপাদনৰ সামগ্ৰিক প্ৰক্ৰিয়াটোক প্ৰভাৱিত কৰিব। গতিকে এনেধৰণৰ বিদ্যায়তনিক আলোচনাৰ গুৰুত্বতাক আমি নুই কৰিব নোৱাৰোঁ। এনেধৰণৰ আলোচনাই হয়তো ঔপন্যাসিকাগৰাকীৰ উপন্যাসৰ আলোচনা তথা ঔপন্যাসিকাগৰাকীৰ সামগ্ৰিক আলোচনাৰ বিদ্যায়তনিক সংযোজন ঘটাব। যিয়ে ভৱিষ্যতে অন্যান্য গৱেষণাৰ পথ প্ৰশস্ত কৰিব।

**০.৪ গৱেষণাৰ তথ্য সংগ্ৰহ তথা গৱেষণা পদ্ধতি ঃ**

আমাৰ গৱেষণা কৰ্মৰ তথ্যসমূহ বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰিকাকত, গৱেষণা গ্ৰন্থৰ পৰা গ্ৰহণ কৰা হৈছে। মণিকুন্তলা ভট্টাচাৰ্যৰ সাক্ষাতগ্ৰহণত প্ৰাপ্ত তথ্যসমূহো গৱেষণা কাৰ্যত গ্ৰহণ কৰা হৈছে।

গৱেষণা কাৰ্যত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। বহুসময়ত আমি তাত্ত্বিক পৰিকাঠামো নিৰ্মাণত অন্য ভাষাৰ গ্ৰন্থাদি অধ্যয়ন কৰিছোঁ আৰু তাৰপৰা উদ্ধৃতি দিবলগীয়া হৈছে। গৱেষণাৰ খাতিৰত ভাবানুবাদ কৰিহে আমি উদ্ধৃতিসমূহ ব্যৱহাৰ কৰিছোঁ।

**০.৫ গৱেষণাৰ পৰিসৰ ঃ**

মনস্তত্ত্ব সম্পৰ্কত বিভিন্ন পণ্ডিত-দাৰ্শনিকে ভিন্ ভিন্ মতামত আগবঢ়াইছে। ইয়াৰ ভিতৰত ছিগমাণ্ড ফ্ৰয়েড, কাৰ্ল ইয়ুং আৰু জ্যাক লাঁকাৰ মনস্তাত্ত্বিক সিদ্ধান্তৰ আধাৰতহে আমাৰ গৱেষণা গ্ৰন্থখনৰ তাত্ত্বিক ভেঁটি নিৰ্মাণ কৰা হৈছে। আমাৰ গৱেষণা গ্ৰন্থত ঔপন্যাসিকাৰ আটাইকেইখন উপন্যাস অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হোৱা নাই। গৱেষণা গ্ৰন্থৰ পৰিসৰ তথা গৱেষণা বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি ঔপন্যাসিকাৰ দহখন উপন্যাস আলোচনাৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে। এই দহখন উপন্যাসৰো আনবোৰ বিষয় তথা দৃষ্টিভংগীক আওকাণ কৰি অকল মনস্তাত্ত্বিক দৃষ্টিভংগীৰেহে বিচাৰ কৰি চোৱা হৈছে।

**০.৬ পূৰ্বকৃত অধ্যয়ন ঃ**

মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন(নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনসহ)— শীৰ্ষক গৱেষণা বিষয়টোৰ লগত পোনপটীয়াভাৱে সম্পৰ্কযুক্ত বস্তুনিষ্ঠ অধ্যয়ন বৰ্তমানলৈকে হোৱা নাই।পূৰ্বকৃত অধ্যয়ন হিচাপে বিভিন্ন গ্ৰন্থ, কাকত, আলোচনী, গৱেষণা গ্ৰন্থ অধ্যয়ন কৰা হৈছে। আমাৰ গৱেষণা কৰ্মৰ লগত সংগতি ৰাখি কৰা পূৰ্বকৃত অধ্যয়নৰ এটি সমীক্ষা আগবঢ়োৱা হ'ল—

*অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ* গ্ৰন্থত মন্দিৰা গগৈয়ে "মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী'" শীৰ্ষক আলোচনা আগবঢ়াইছে। প্ৰবন্ধটোত মণিকুন্তলা ভট্টাচাৰ্যৰ *বৰদোৱানী* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ বৰদোৱানীৰ বিশ্লেষণ কৰা হৈছে। অন্তৰত নানা যন্ত্ৰণা কঢ়িয়াই বাহিৰত নিজৰ দায়িত্ব কৰ্ম সুচাৰুৰূপে পালন কৰি আত্মসন্মানবোধ ৰক্ষা কৰি যোৱা চৰিত্ৰটোৰ মানসিক জগতৰ বিভিন্ন দিশ এই আলোচনাত প্ৰতিভাত হৈছে।

*সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ* গ্ৰন্থত বিমল মজুমদাৰে "সাহিত্যত ফ্ৰয়েডীয় মনস্তত্ত্ব" শীৰ্ষক আলোচনা কৰিছে। প্ৰবন্ধটোৰ আৰম্ভণিতে ছিগমাণ্ড ফ্ৰয়েডৰ পৰিচয় দাঙি ধৰাৰ লগতে ফ্ৰয়েডে আগবঢ়োৱা তত্ত্বৰ আলোচনা কৰা হৈছে। বিশেষভাৱে ফ্ৰয়েডৰ ঈডিপাছ কমপ্লেক্সৰ লক্ষণ, ধাৰণা আগবঢ়োৱাৰ লগতে সাহিত্যত ইয়াৰ প্ৰয়োগ দেখুৱাইছে। ঈডিপাছ কমপ্লেক্সৰ ধাৰণাৰ আধাৰত 'আদি যামল'ৰ অন্তৰ্গত জয়দেৱ আৰু বিধৱা মাকৰ মাজত হোৱা শাৰীৰিক সম্পৰ্ক, উইলিয়াম শ্বেক্সপীয়েৰৰ বিখ্যাত নাটক *হেমলেট*, জনজাতি ৰাভাসকলৰ মাজত প্ৰচলিত 'অবিবাহিত কাৰ্তিক' সাধুকথাত বৰ্ণিত পুত্ৰ কাৰ্তিকৰ লগত কাম বাসনাত লিপ্ত হ'ব বিচৰা পাৰ্বতী, মণিকুন্তলা ভট্টাচাৰ্যৰ

*সৰীসৃপ* উপন্যাসৰ মাতৃ আৰু পুত্ৰৰ মাজত হোৱা যৌন সম্পৰ্ক, ঈডিপাছ কমপ্লেক্সক আধাৰ হিচাপে লৈ ফণীন্দ্ৰকুমাৰ দেৱচৌধুৰীৰ *ঈডিপাস ঈডিপাস* উপন্যাসৰ বিশ্লেষণ কৰা হৈছে।

*অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ ষষ্ঠ খণ্ডত এম. কামালুদ্দিন আহমেদে "অসমীয়া উপন্যাস (১৯৯৩-২০১০)" প্ৰবন্ধত ঔপন্যাসিক উমাকান্ত শৰ্মাৰপৰা আৰম্ভ কৰি প্ৰদীপ্ত বৰগোহাঞিৰ *আমেৰিকাক বিচাৰি* উপন্যাসলৈকে ভালেকেইগৰাকী ঔপন্যাসিকৰ উপন্যাসৰ আলোচনা কৰিছে। তেওঁৰ এই আলোচনাই মণিকুন্তলা ভট্টাচাৰ্যৰ *বৰদোৱানী* আৰু *দেৱবালা* উপন্যাস দুখনকো সামৰি লৈছে। সামাজিক বাস্তৱতা, গ্ৰাম্য বাস্তৱতা, উপন্যাসখনত ব্যৱহৃত ভাষা, বৰদোৱানী আৰু পুণ্যধৰৰ চাৰিত্ৰিক দিশ আদি প্ৰসংগৰ জৰিয়তে লেখকে *বৰদোৱানী* উপন্যাসখনৰ বিশ্লেষণ আগবঢ়াইছে। মণিকুন্তলা ভট্টাচাৰ্যৰ *দেৱবালা* উপন্যাসত দেৱবালাৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ উন্মেষ ঘটোৱা হৈছে। দেৱবালা চলিহাৰ ব্যক্তিগত জীৱন প্ৰকাশক গ্ৰন্থখনৰ ব্যক্তিগত, সামাজিক, সাংস্কৃতিক, ভাষিক দৃষ্টিকোণৰপৰা প্ৰবন্ধকাৰে আলোচনা কৰিছে।

*অসমীয়া উপন্যাস পৰিক্ৰমা* গ্ৰন্থত মঞ্জু লস্কৰে "মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী'" প্ৰবন্ধত *বৰদোৱানী* উপন্যাসৰ বিস্তৃত আলোচনা কৰিছে। প্ৰবন্ধটোৰ আৰম্ভণিতে মণিকুন্তলা ভট্টাচাৰ্যৰ সাহিত্যকৃতিৰ চমু আভাস দিয়াৰ লগতে *বৰদোৱানী* উপন্যাসৰ কাহিনীভাগৰ পৰিচয় দাঙি ধৰা হৈছে। মুখ্য চৰিত্ৰ বৰদোৱানীৰ লগতে বৰদোৱানীৰ স্বামী পুণ্যধৰ, পুণ্যধৰৰ দ্বিতীয় পত্নী ৰেণুমাই আৰু পুণ্যধৰৰ সন্তান লক্ষ্যধৰৰ চৰিত্ৰ বিশ্লেষণ কৰা হৈছে। লগতে উপন্যাসখনৰ কলা- কৌশল আৰু উপন্যাসখনত প্ৰতিফলিত সমাজ জীৱনৰো আলোচনা কৰা হৈছে।

*অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ* গ্ৰন্থত সত্যেন্দ্ৰনাথ শৰ্মাই "অস্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাস" শীৰ্ষক এটি আলোচনা আগবঢ়াইছে। প্ৰবন্ধটোৰ আৰম্ভণিতে প্ৰবন্ধকাৰে ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বৰ আলোচনা কৰিছে। অসমীয়া স্বাভাৱিক মনস্তত্ত্বমূলক উপন্যাস বহুকেইখনতে অস্বাভাৱিক মনস্তত্ত্বৰ চৰিত্ৰৰ প্ৰকাশ ঘটিছে যদিও এই আলোচনাটোত বিশেষভাৱে অস্বাভাৱিক মনস্তত্ত্বৰ বিষয়বস্তুৰ উপন্যাসৰহে স্বতন্ত্ৰ বিশ্লেষণ কৰিছে। এই আলোচনাই চৈয়দ আব্দুল মালিকৰ *ত্ৰিশূল, কবিতাৰ নাম লাভা*; পদ্ম বৰকটকীৰ *দুষ্মন্তৰ চুমা, নজ্বলা ধূপৰ ইতিকথা*; নিৰোদ চৌধুৰীৰ *বনহংস*; কুমাৰ কিশোৰৰ *এমুঠি তৰাৰ জিলমিল, বন্যা ধৌত বদ্বীপ, কিংকিণীৰ কলংক* উপন্যাস সামৰি লৈছে।

*সাহিত্য সমালোচনা তত্ত্ব পৰিচয় আৰু প্ৰয়োগ* গ্ৰন্থত ৰাতুল ডেকাই "সাহিত্যৰ মনোবিশ্লেষণাত্মক তত্ত্ব" শীৰ্ষক আলোচনা আগবঢ়াইছে। ইয়াত বিদ্যায়তনিক আৰু সমালোচনাত্মক সম্ভাৱনাৰ দৃষ্টিভংগীৰে লেখকে সাহিত্যৰ মনস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰিছে। ফ্ৰয়েডে মনস্তত্ত্ব সম্পৰ্কে আগবঢ়োৱা সূত্ৰৰ

লগতে মনস্তাত্ত্বিক তত্ত্বৰ আধাৰত ‘চম্পাৱতী’ সাধুৰ বিশ্লেষণ দাঙি ধৰিছে। লগতে সাহিত্যিক পাঠৰ মনস্তাত্ত্বিক অধ্যয়নৰ বাবে সম্ভাৱনাময় বিচাৰ্য বিষয়সমূহৰো আভাস দিয়া হৈছে।

*অসমীয়া চুটিগল্পৰ আলোচনা* গ্ৰন্থত অন্তৰ্ভুক্ত প্ৰণৱ কুমাৰ ভাগৱতীৰ “স্নেহ দেৱীৰ ‘সূচনা’— এক মনস্তাত্ত্বিক বিশ্লেষণ” শীৰ্ষক প্ৰবন্ধত মনস্তাত্ত্বিক দৃষ্টিভংগীৰে সূচনা চৰিত্ৰৰ বিশ্লেষণ কৰা হৈছে। আলোচনাটোত ইড, ইগো, চুপাৰ-ইগো, লিবিডোৰ লগতে সপোনৰ বিশ্লেষণ কৰা হৈছে। সূচনা চৰিত্ৰটোৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰি প্ৰবন্ধকাৰে চৰিত্ৰটোৰ অস্বাভাৱিক আচৰণক পৰপীড়নবাদ বা (sadism) আখ্যা দিছে। ব্যক্তি বিশেষে নিজৰ অপূৰণীয় ক্ষুধা তথা বাসনাক আনক অত্যাচাৰ কৰি প্ৰশমিত কৰিব বিচৰা মানসিক অৱস্থাই হৈছে পৰপীড়নবাদ। এই পৰপীড়নবাদৰ ওপৰত ভিত্তি কৰি চৰিত্ৰটোৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

*অসমীয়া চুটিগল্পঃ বিৱৰ্তন আৰু বিশ্লেষণ* গ্ৰন্থত সৰোজ চন্দ্ৰ দাসে “হোমেন বৰগোহাঞিৰ ‘ভয়’ গল্পত অস্তিত্ববাদ আৰু ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰতিফলন” প্ৰবন্ধত মানসিক অন্তৰ্দ্বন্দ্ব, অন্তৰ্মুখী মনোভাৱ, ভীতিগ্ৰস্ততা সম্পৰ্কে আলোচনা কৰিছে। মনস্তত্ত্বৰ লগত জড়িত এইবোৰ বিষয়েৰে গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ অমল বৰুৱাৰ মানসিক স্থিতিৰ বিশ্লেষণ কৰা হৈছে। গ্ৰন্থখনত সন্নিৱিষ্ট অন্য এটা প্ৰবন্ধ “স্নেহ দেৱীৰ ‘বিচিত্ৰ’ গল্পত নাৰী মনস্তত্ত্ব” ত মণিকা দাসে গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ কাবেৰীৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰিছে।

*যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্পত আৰ্থ-সামাজিক জীৱনৰ প্ৰতিফলন* গ্ৰন্থত নীৰা দাসে “ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘গ্ৰহণ’ গল্পত বৃদ্ধ মনস্তত্ত্বৰ প্ৰকাশ” শীৰ্ষক প্ৰবন্ধত বৃদ্ধ নীৰেনৰ নিঃসংগতা, হতাশা, কাৰুণ্যতা আদি দিশৰপৰা বৃদ্ধ মনস্তত্ত্বৰ আলোচনা কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ গৱেষক বিনীতা নাথে পি এইচ. ডি. ডিগ্ৰীৰ বাবে দাখিল কৰা “অসমীয়া উপন্যাসত ফ্ৰয়েডীয় মনস্তত্ত্বৰ বিকাশ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন” শীৰ্ষক গৱেষণা গ্ৰন্থত তাত্ত্বিক দিশেৰে অসমীয়া উপন্যাসৰ অধ্যয়ন কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, হিতেশ ডেকা, চৈয়দ আব্দুল মালিক, পদ্ম বৰকটকী, নৱকান্ত বৰুৱা, যোগেশ দাস, মামণি ৰয়ছম গোস্বামী, আদি কৰি সাম্প্ৰতিক সময়ৰ কেইবাগৰাকীও ঔপন্যাসিকৰ উপন্যাসৰ মনস্তত্ত্বৰ প্ৰসংগক আলোচনা কৰা হৈছে। গৱেষণা গ্ৰন্থখনত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ মনস্তাত্ত্বিক দিশ বিতংভাৱে আলোচনা কৰা হোৱা নাই যদিও ফ্ৰয়েডীয় মনস্তত্ত্ব প্ৰকাশক উপন্যাসৰ আলোচনা প্ৰসংগত মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* উপন্যাসখনৰ কথা উল্লেখ কৰা হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ গৱেষক খঞ্জন কুমাৰ দাসে "অসমীয়া লেখিকাৰ উপন্যাসত নাৰীবাদ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন( ১৯৮০-২০০৫ সময়ছোৱাৰ বিশেষ উল্লিখনসহ) গৱেষণা গ্ৰন্থত মামণি ৰয়ছম গোস্বামী, নিৰুপমা বৰগোহাঞি, তিলোত্তমা মিশ্ৰ, পূৰৱী বৰমুদৈ, অৰূপা পটংগীয়া কলিতা, আৰাধনা গোস্বামী, অনুৰাধা শৰ্মা পূজাৰীৰ লগতে মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসৰ নাৰীবাদী দৃষ্টিকোণেৰে আলোচনা আগবঢ়াইছে। গৱেষণা গ্ৰন্থখনত নাৰীবাদী চেতনাৰে মণিকুন্তলা ভট্টাচাৰ্যৰ *অৰুন্ধতী* আৰু *সন্ধ্যা* উপন্যাসৰ বিশ্লেষণ কৰা হৈছে।

২০০৭ চনৰ ৩ জুন তাৰিখে 'আমাৰ অসম' কাকতত প্ৰকাশ পোৱা পাপৰি দত্তৰ "জীৱনৰ মননশীল প্ৰকাশ 'বৰদোৱানী'"—শীৰ্ষক প্ৰবন্ধত নাৰী ভাৱনাৰ দৃষ্টিভংগীৰে কেন্দ্ৰীয় চৰিত্ৰ বৰদোৱানীৰ আলোচনা কৰাৰ লগতে উপন্যাসখনৰ সামগ্ৰিক আলোচনা এটি দাঙি ধৰা হৈছে। প্ৰসংগক্ৰমে উপন্যাসখনৰ আনবোৰ চৰিত্ৰৰ উপস্থাপনৰ লগতে উপন্যাসখনত প্ৰতিফলিত গঞা জীৱনৰ বৰ্ণনা, উপভাষা, উপমা, কাব্যিকতা আদিৰ বিশ্লেষণো কৰিছে।

২০০৮ চনৰ ১৪ ছেপ্তেম্বৰৰ 'অসমীয়া প্ৰতিদিন'ৰ দেওবৰীয়া পৰিপূৰিকা *সম্ভাৰত* কুলদা কুমাৰ ভট্টাচাৰ্যই "চিত্ৰপটৰ বৈচিত্ৰ্যময়ী নাৰী" শীৰ্ষক প্ৰবন্ধত মণিকুন্তলা ভট্টাচাৰ্যৰ কবিতাৰে লিখা আত্মজীৱনী *চিত্ৰপট*ৰ আলোচনা কৰিছে। প্ৰবন্ধটিত *চিত্ৰপট*ৰ আধাৰত ঔপন্যাসিকাৰ জীৱন কাহিনীৰ এক আলোচনা দাঙি ধৰা হৈছে। ২০২১ চনৰ ২৮ জুলাই তাৰিখে 'দৈনিক জনমভূমি' কাকতত মনশ্ৰী হাজৰিকাই "মানৱ মনৰ এক মনস্তাত্ত্বিক বিশ্লেষণ" শীৰ্ষক প্ৰবন্ধত *বৰদোৱানী* উপন্যাসৰ মনস্তাত্ত্বিক আলোচনা কৰিছে। প্ৰবন্ধটোত বৰদোৱানী আৰু পুণ্যধৰৰ মানসিক অৱস্থাৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

২০২২ চনৰ জুন মাহৰ *গৰীয়সী* আলোচনীত বীণা নাথে "কুমাৰ কিশোৰ, 'এমুঠি তৰাৰ জিলিমিলি' আৰু ফ্ৰয়েডীয় মনস্তত্ত্ব" শীৰ্ষক আলোচনা আগবঢ়াইছে। এই আলোচনাত ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বৰ চমু পৰিচয়ৰ লগতে উপন্যাসখনত প্ৰতিফলিত ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বৰ বিশ্লেষণ দাঙি ধৰিছে।

২০২২ চনৰ ছেপ্তেম্বৰ মাহৰ *প্ৰকাশ* আলোচনীত অনন্যা হিলৈদাৰীয়ে "সৌৰভ কুমাৰ চলিহাৰ মনস্তাত্ত্বিক গল্প" শীৰ্ষক প্ৰবন্ধ ৰচনা কৰিছে। প্ৰবন্ধটোত প্ৰবন্ধকাৰে সৌৰভ কুমাৰ চলিহাৰ 'বিতৃষ্ণা', 'বিস্বাদ', 'বিভীষিকা', 'বিভাষা', 'বিনয়', 'দূৰবীণ', 'ষ্টুডিঅ'ত', 'ঘৰমুৱা', 'পঞ্জাৱ সীমান্তৰ সহযাত্ৰী', 'সুৰক্ষা', 'পৰিবাহিত', 'ইৰা', 'ফট' গল্পৰ মনস্তাত্ত্বিক আলোচনা আগবঢ়াইছে।